■ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ৭৫ বছৰ ■

# শ্বিলঙৰপৰা উলিওৱা কাৰ ৰেলী পালেহি গোৱালপাৰা মহাবিদ্যালয়

নিজা বাতৰি দিওঁতা

গোৱালপাৰা, ২৪ নৱেম্বৰ ঃ ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ অধীনৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী চমুকৈ (এন চি চি)ৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে এন চি চিৰ উত্তৰ-পূব মণ্ডলে ৬ নৱেম্বৰত শ্বিলঙৰপৰা উলিওৱা কাৰ ৰেলী আজি গোৱালপাৰা মহাবিদ্যালয়ত উপস্থিত হয়। উত্তৰ-পূৰ্বাঞ্চলৰ সকলো ৰাজ্য পৰিভ্ৰমণৰ উদ্দেশ্যে এন চি চিৰ উত্তৰ-পূব মণ্ডলৰ অতিৰিক্ত সঞ্চালক প্ৰধান মেজৰ জেনেৰেল গগন দীপৰ নেতৃত্বত উলিওৱা উত্তৰ-পূৰ্বাঞ্চল কাৰ ৰেলী গোৱালপাৰা মহাবিদ্যালয়ত উপস্থিত হোৱাত ৰাষ্ট্ৰীয়

১১ পৃষ্ঠাত চাওক

# শ্বিলঙৰপৰা উলিওৱা

শিক্ষাৰ্থী বাহিনীৰ কেডেটসকলে বিপুল আদৰণি জনায়। এই উপলক্ষে মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এক অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মনে মেজৰ জেনেৰেল গগন দীপক সম্বৰ্দ্ধনা জনোৱাৰ লগতে মহাবিদ্যালয়খনৰ এন চি চিৰ কেডেটসকলে সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। মেজৰ জেনেৰেল গগন দীপে কেডেটসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ অভাৱ-অভিযোগৰ বুজ লয়। এন চি চিৰ মূলমন্ত্ৰ অনুশাসন আৰু একতা সদায় কেডেটসকলক তেওঁ মনত ৰাখিবলৈ আহ্বান জনায়।